ভাৰত চৰকাৰ

বনাম

কিষান চান্দ আৰু অন্যান্য

১১ অক্টোবৰ, ১৯৯৬।

( ন্যায়াধীশ কে. ৰামাস্বামী আৰু জি.বি. পট্টনাইক )

ভূমি অধিগ্ৰহণ আইন, ১৮৯৪ :

ধাৰা ২৩(১-ক), ২৩(২) আৰু ২৮ --বৰ্ধিত ছ'লেটিয়ামৰ সুত আৰু অতিৰিক্ত সুবিধা-কয়: যিহেতু ৰেফাৰেন্স আদালতে ডিচেম্বৰ , ১৯৭৩ চনত বিষয়টোৰ সিদ্ধান্ত লৈছিল, দাবীদাৰসকলে উক্ত সুবিধাসমূহৰ অধিকাৰী নহয়-তাৰ পৰিৱৰ্তে তেওঁলোকে বৰ্ধিত ক্ষতিপূৰণৰ ওপৰত ৬% আৰু ১৫% ছ ’লেটিয়ামৰ সুতৰ অধিকাৰী।

**দেৱানী আপীল অধিকাৰক্ষেত্ৰ : দেৱানী আপীল নং ১৩২৬৪/ ১৯৯৬।**

১৯৮৫ চনৰ চি এম পি নং ২৪৫ত আৰ এফ এ নং ৮২/৮৫ত দিল্লী উচ্চ ন্যায়ালয়ৰ ৩০.৭.৮৬ তাৰিখৰ ৰায় আৰু আদেশৰ পৰা।

এন. এন. গোস্বামী, শ্ৰীমতী সুষমা সূৰী আৰু শ্ৰীমতী পদ্ম প্ৰিয়া আপীলকাৰীৰ হৈ।

আদালতৰ তলত দিয়া আদেশ দিয়া হৈছিল :

পলম মাফ কৰা হৈছে।

অনুমতি দিয়া হৈছে।

২, ৩ আৰু ৪ৰ পৰা ২০ নং উত্তৰদাতাৰ ওপৰত জাননী "ঠিকনা অসম্পূৰ্ণ" বুলি ডাকযোগে ঘূৰাই দিয়া হৈছে। ২২ নং প্ৰতিবাদী ক জাননী প্ৰেৰণ কৰা হৈছে।

এই পৰিস্থিতিত তেওঁলোকক জাননী দিয়া বুলি ধৰিব লাগিব। ব্যক্তিগতভাৱেও বা উকীল মাধ্যমেৰেও তেওঁলোক উপস্থিত হোৱা নাই। জাননী কেৱল ১৯৮৪ চনৰ সংশোধনী আইন ৬৮ৰ বিধানসমূহৰ প্ৰযোজ্যতাৰ বিষয়টোত সীমাবদ্ধ আছিল।

ভূমি অধিগ্ৰহণ আইন, ১৮৯৪ৰ ধাৰা ৪[১]ৰ অধীনত অধিসূচনা ১৯৬১ চনৰ ২৪ অক্টোবৰত প্ৰকাশ কৰা হয়। ভূমি অধিগ্ৰহণ বিষয়াগৰাকীয়ে তেওঁৰ আদেশেৰে ক্ষতিপূৰণ প্ৰতি বিঘাত ২৫০০ টকা কৈ প্ৰদান কৰিছিল। উল্লেখযোগ্য যে অতিৰিক্ত জিলা ন্যায়াধীশে ১৯৭৩ চনৰ ১৯ ডিচেম্বৰ তাৰিখে তেওঁৰ ৰায় আৰু ডিক্ৰীৰে ক্ষতিপূৰণ প্ৰতি বিঘা ত ৫,০০০ টকা কৈ বৃদ্ধি কৰে। আপীলত উচ্চ ন্যায়ালয়ে ক্ষতিপূৰণ প্ৰতি বিঘাত ১২০০০ টকালৈ বৃদ্ধি কৰাৰ সময়তে ছ 'লেটিয়াম আৰু সুত আৰু অতিৰিক্ত ধন বৃদ্ধি কৰি ১৯৮৪ চনৰ সংশোধনী আইন ৬৮ৰ সুবিধা প্ৰদান কৰিছে। ১৯৭৩ চনৰ ডিচেম্বৰ মাহত ৰেফাৰেন্স আদালতে বিষয়টোৰ সিদ্ধান্ত লোৱাৰ প্ৰতি লক্ষ্য ৰাখি প্ৰতিবাদীসকলে ধাৰা ২৩ [2] , ২৮ আৰু ২৩ [১-এ]ৰ অধীনত বৰ্ধিত ছ 'লেটিয়াম আৰু সুতৰ সুবিধা আৰু অতিৰিক্ত সুবিধাৰ অধিকাৰী নহয়।

সেই অনুসৰি ওপৰৰ পৰিসৰলৈকে আবেদনৰ অনুমতি দিয়া হৈছে। বৰঞ্চ দাবীদাৰসকলে বৰ্ধিত ক্ষতিপূৰণৰ ওপৰত ৬% সুত আৰু ১৫% ছ 'লেটিয়ামৰ অধিকাৰী। সেই অনুসৰি উচ্চ ন্যায়ালয়ৰ ৰায় সংশোধন কৰা হয়। কোনো খৰচ নাই।

আপীলৰ অনুমতি দিয়া হল।

*অনুবাদক-প্ৰণব জ্যোতি বৰা*

*জ্যেষ্ঠ অনুবাদক*

*গুৱাহাটী উচ্চ ন্যায়ালয়*